গোচৰ নং:

দেৱানী আপীল নং– ১১২৩/২০০৬

আপীলকাৰী:

নেহৰু যুৱ কেন্দ্ৰ সংগঠন

উত্তৰদাতা:

মেহবুব আলম লস্কৰ

ৰায়দানৰ তাৰিখ: ২২/০১/২০০৮

পীঠ:

এছ.বি. সিনহা আৰু হৰজিৎ সিং বেদী

ৰায়:

দেৱানী আপীল নং– ১১২৩/২০০৬ গোচৰত ৰায়

ন্যায়াধীশ এছ.বি. সিনহা :

১. তথ্য আৰু আইনৰ একেধৰণৰ বিষয়ৰ সৈতে জড়িত এই দুটা আপীল একেলগে শুনানিৰ বাবে লোৱা হৈছিল আৰু এই উমৈহতীয়া ৰায়দানৰ দ্বাৰা দুযোটা আপীল নিষ্পত্তি কৰা হৈছে।

আপীলকাৰী হৈছে ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ অধীনত চলি থকা এটা স্বায়ত্তশাসিত সংস্থা। ভাৰতৰ সংবিধানৰ ১২ নং অনুচ্ছেদৰ অৰ্থৰ ভিতৰত ইয়াক এখন "ৰাজ্য"(State) হিচাপে গণ্য কৰা হয়।

গোচৰটোৰ প্ৰতিবাদীজনক ১৯৯৪ চনৰ ২৮ ছেপ্টেম্বৰৰ নিযুক্তিৰ প্ৰস্তাৱৰ ভিত্তিত যুৱ সমন্বয়কৰ পদত নিযুক্তি দিয়া হৈছিল; ৫ নং অনুচ্ছেদত তলত দিয়া ধৰণে উল্লেখ কৰা হৈছে:-

“চাকৰি আৰম্ভ কৰাৰ দিনৰে পৰা আপুনি এবছৰৰ বাবে প্ৰবেচন পিৰিয়ডত থাকিব। সংগঠনটোৱে প্ৰয়োজনীয় বুলি বিবেচনা কৰিলে আপোনাৰ প্ৰবেচন পিৰিয়ডৰ সময়সীমা বৃদ্ধি কৰিব পাৰে। এই সময়ছোৱাত আপুনি ইচ্ছা কৰিলে কোনো জাননী নিদিয়াকৈ পদত্যাগ কৰাৰ বিকল্প থাকিব। ঠিক তেনেদৰে সংগঠনটোৱে আপোনাক কোনো জাননী নিদিয়াকৈ বা কোনো কাৰণ নিৰ্ধাৰণ নকৰাকৈ প্ৰবেচন পিৰিয়ডত যিকোনো সময়তে আপোনাক চাকৰিৰ পৰা বহিষ্কাৰ কৰিব পাৰে। যদি আপুনি প্ৰবেচন পিৰিয়ড সফলতাৰে সম্পূৰ্ণ কৰে, তেন্তে আপুনি আপোনাৰ নিয়োগ অব্যাহত ৰখাৰ নতুন চৰ্ত আৰু নিয়মৰ বিশদ বিৱৰণী লিখিতভাৱে লাভ কৰিব।“

অভিযোগ অনুসৰি তেওঁ চৰকাৰী পুঁজিৰ পৰা (যিটো তেওঁক ব্যৱহাৰ কৰিবলৈ দিয়া হৈছিল) কিছু ধন উলিয়াই নিজৰ ব্যক্তিগত বেংক একাউন্টত জমা দিছিল। এই বিষয়টোৰ ওপৰত তেওঁৰ অজ্ঞাতে তদন্ত কৰা হৈছিল আৰু তথ্যৰ ভিত্তিত তেওঁৰ প্ৰবেচন পিৰিয়ড শেষ কৰা হৈছিল। এই কাৰ্য্যৰ বাবে দিয়া বক্তব্য আছিল–

“এন.ৱাই.কে.–উত্তৰ ত্ৰিপুৰাত যুৱ সমন্বয়ক হিচাপে কৰ্মৰত প্ৰয়াত লতিফ আহমেদ লস্কৰৰ পুত্ৰ মেহবুব আলম লস্কৰক ততালিকে চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। এই আদেশ পোৱাৰ লগে লগে তেওঁ এন.ৱাই.কে.–কৰিমগঞ্জৰ যুৱ সমন্বয়ক শ্ৰী তপন নাগক দায়িত্ব অৰ্পণ কৰিব লাগিব। পৰৱৰ্তী নিৰ্দেশ পৰ্যন্ত কেন্দ্ৰৰ অতিৰিক্ত দায়িত্ব শ্ৰী নাগে গ্ৰহণ কৰিব।

স্বাক্ষৰ/এছ.ৱাই. কুৰাইয়াহি

সঞ্চালক প্ৰধান“

৩. গোচৰৰ পুনৰ বিবেচনাৰ বাবে যথাযোগ্য কৰ্তৃপক্ষৰ ওচৰত তেওঁ আবেদন দাখিল কৰে। তেওঁ ২৪.৫.১৯৯৫ তাৰিখ বা প্ৰায় ২০.২.১৯৯৯ তাৰিখৰ বৰ্খাস্তৰ আদেশৰ পুনৰীক্ষণ বিচাৰি আন এখন আবেদন/আপীল দাখিল কৰে।

উত্তৰদাতাসকলে উক্ত আবেদনৰ যুক্তিসংগত সময়ৰ ভিতৰত উত্তৰ নিদিয়াৰ বাবে তেওঁ উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰে, যি আবেদনক লেখ আবেদন (চি) নং ৩১৩৬/১৯৯৯ হিচাপে চিহ্নিত কৰা হয়। অজয় গুপ্তা গোচৰ(দেৱানী গোচৰ নং

৫৫৮২/১৯৯৫)–ত উচ্চ ন্যায়ালয়ে পূৰ্বৰ সিদ্ধান্তৰ প্ৰতি লক্ষ্য ৰাখি আপীলকাৰীক তেওঁৰ আবেদন পুনৰীক্ষণ কৰিবলৈ নিৰ্দেশ দি লেখ আবেদনখন খাৰিজ কৰে।

৪. দেৱানী নিয়মত উল্লেখ কৰা অজয় গুপ্তাৰ গোচৰটোও একে নহয় বুলি উল্লেখ কৰি ১৩.১০.১৯৯৯ তাৰিখে আবেদনখন নাকচ কৰা হয়। য'ত কোৱা হৈছিল;

> "তথ্যৰ ভিত্তিত আপোনাৰ গোচৰটো অজয় কুমাৰ গুপ্তাৰ গোচৰৰ সৈতে মিল নাই, কাৰণ, প্ৰাথমিক তদন্তৰ পিছত প্ৰবেচন পিৰিয়ডত তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল।
>
> পিছত তেওঁ অভিযোগ অস্বীকাৰ কৰি অনুশাসন কৰ্তৃপক্ষৰ ওচৰত আবেদন জনায়। যদিও তেওঁk চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো সংগঠনৰ নিয়ম আৰু নিযুক্তি পত্ৰৰ চৰ্তসমূহৰ ভিতৰত আছিল, তথাপিও ন্যায়পৰায়ণতাৰ নীতিৰ ভিত্তিত তেওঁক আন এটা সুযোগ দিয়াৰ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু পৰৱৰ্তী তদন্তত তেওঁক অপব্যৱহাৰৰ দোষী সাব্যস্ত কৰা হয়, যাৰ ফলত তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো ন্যায্য বুলি ধৰা হয়।
>
> আনহাতে, আৰ্থিক অনিয়মৰ প্ৰাৰম্ভিক অভিযোগৰ বাবে আপোনাক প্ৰবেচন পিৰিয়ডত চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল। আপুনি ১৯৯৫ চনৰ ১৪ জুন তাৰিখে লিখা পত্ৰখনত এই অভিযোগসমূহ স্বীকাৰ কৰিছিল। সেয়েহে আইনীভাৱে নিয়োজিত কৰ্তৃপক্ষই অধিক তদন্ত কৰাটো প্ৰয়োজনীয় বুলি বিবেচনা কৰা নাছিল, কিয়নো আপুনি ইতিমধ্যে অভিযোগ স্বীকাৰ কৰিছিল।"

৫. উক্ত আদেশৰ বৈধতাক লৈ উত্তৰদাতাই উচ্চ ন্যায়ালয়ত আন এখন লেখ আবেদন দাখিল কৰি প্ৰশ্ন উত্থাপন কৰিছিল, যিখন আবেদন লেখ আবেদন (চিভিল) নং ৪৮০/২০০১ হিচাপে পঞ্জীয়ন কৰা হৈছিল। ৯.৪.২০০৩ তাৰিখে এটা ৰায় আৰু আদেশত আদেশ বাতিল কৰি ৰিট আবেদনৰ অনুমতি দিয়া হয়, য'ত কোৱা হৈছিল:

> "আইনখনত ভালদৰে নিৰ্ধাৰণ কৰা হৈছে যে যদি প্ৰবেচন পিৰিয়দত থকা কোনো ব্যক্তিয়ে নিয়োগকৰ্তাৰ প্ৰয়োজনীয়তা পূৰণ নকৰে তেন্তে তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্ত কৰিব পাৰি। কিন্তু যদি ডিচচাৰ্জ অৰ্ডাৰত কোনো ধৰণৰ অসৎ আচৰণৰ অভিযোগ উত্থাপন হয়, যিয়ে প্ৰবেচন পিৰিয়দত থকা ব্যক্তিজনৰ

ভৱিষ্যতৰ নিয়োগৰ ওপৰত প্ৰভাৱ পেলাব পাৰে, তেন্তে বিষয়টোৰ ওপৰত তদন্ত কৰা উচিত আৰু ব্যক্তিজনক নিজৰ পক্ষ ৰক্ষা কৰাৰ সুযোগ দিয়া উচিত। যদিও প্ৰাৰম্ভিক বৰ্খাস্তকৰণ আদেশত আবেদনকাৰীৰ বিৰুদ্ধে অসৎ আচৰণৰ অভিযোগ উত্থাপন কৰা হোৱা নাছিল, পিছৰ আদেশত স্পষ্টকৈ উল্লেখ কৰা হৈছিল যে আবেদনকাৰীয়ে কৰা আৰ্থিক অনিয়মৰ বাবেই এই বৰ্খাস্ত হৈছে। পৰৱৰ্তী আদেশখনে, যিখনক বৰ্তমান প্ৰত্যাহ্বান জনোৱা হৈছে, আবেদনকাৰীৰ সুনামৰ ক্ষতি কৰে। সেইবাবে, আদালতৰ মতে আবেদনকাৰীক অভিযোগৰ বিৰুদ্ধে প্ৰতিৰক্ষাৰ সুযোগ নিদিয়াকৈ কৰ্তৃপক্ষই এই আদেশ জাৰি কৰা উচিত নাছিল। স্বীকাৰ কৰা হৈছে যে কোনো তদন্ত কৰা হোৱা নাছিল। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আদালতে আবেদনকাৰীক সমৰ্থন কৰিব লাগিব আৰু ১৮-১০-৯৯ তাৰিখৰ আদেশ বাতিল কৰিব লাগিব। আবেদনকাৰীক পুনৰ নিযুক্তি দিয়া হ'ব, আৰু প্ৰয়োজন হ'লে কৰ্তৃপক্ষই তেওঁৰ বিৰুদ্ধে নতুন আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিব পাৰে। বৰ্তমানৰ নিয়মৰ ভিত্তিত আবেদনকাৰীয়ে বকেয়া বেতন ঘূৰাই পোৱাৰ অধিকাৰ আছে নে নাই সেইটো কৰ্তৃপক্ষই সিদ্ধান্ত ল'ব।"

৬. ২৪.৫.১৯৯৫ তাৰিখৰ আদেশখন স্পষ্টভাৱে এই কথাটোৰ ওপৰত ভিত্তি কৰি দিয়া হৈছিল যে তদন্ত উত্তৰদাতাৰ অজ্ঞাতে কৰা হৈছিল। যদিহে প্ৰাথমিক অনুসন্ধানৰ ফলাফল কেৱল প্ৰতিবাদকাৰীৰ সেৱা অব্যাহত ৰখাৰ উপযুক্ততা মূল্যায়নৰ বাবে ব্যৱহাৰ কৰা হ'লহেঁতেন, তেন্তে তেওঁলোকে প্ৰবেচন পিৰিয়দ বন্ধ কৰাৰ ন্যায্যতা প্ৰদান নকৰিলেহেঁতেন।

উদ্দেশ্য আৰু ভিত্তিৰ মাজত পাৰ্থক্য আছে। যদি কোনো আদেশ অন্যায়ৰ ওপৰত ভিত্তি কৰি দিয়া হয়, তেন্তে আদেশটো নিৰাপদ যেন লাগিলেও সেয়া আইনগতভাৱে অবৈধ।

৭. আদেশটো মানি চলা নহ'ল বাবে অৱমাননাৰ আবেদন দাখিল কৰা হ'ল। ১১.৫.২০০৪ তাৰিখে অৱমাননা কৰা ব্যক্তিজনক তৎক্ষণাত আদালতৰ আদেশ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছিল। ৯.৪.২০০৩ তাৰিখৰ আদেশৰ বিৰুদ্ধে লেখ আবেদন দাখিল কৰা হৈছিল যদিও ১১.০৫.২০০৪ তাৰিখৰ ৰায়দানৰ দ্বাৰা ইয়াক খাৰিজ কৰা হৈছিল।

এই আবেদনসমূহ ২৫.৩.২০০৪ আৰু ১১.৫.২০০৪ তাৰিখৰ পূৰ্বতে উল্লেখ কৰা আদেশৰ বিৰুদ্ধে নিৰ্দেশিত।

৮. আবেদনকাৰীৰ অধিবক্তা ৰাণা ৰঞ্জিত সিং ডাঙৰীয়াই যুক্তি দিছিল যে উচ্চ ন্যায়ালয়ে প্ৰতিবাদকাৰীৰ নিজৰ আবেদনৰ ভিত্তিত পৰৱৰ্তী আদেশ বিবেচনা কৰি তেওঁৰ প্ৰবেচন বৰ্খাস্তকৰণৰ প্ৰাৰম্ভিক আদেশ অবৈধ বুলি সিদ্ধান্ত লোৱা উচিত নাছিল। ইয়াৰ উপৰিও যুক্তি দিয়া হৈছিল যে যিহেতু প্ৰতিবাদীয়ে ১৯৯৯ চনত আবেদন দাখিল কৰিছিল, সেয়েহে লেখ আবেদনখন বিবেচনা কৰা উচিত নাছিল।

৯. প্ৰতিবাদীক প্ৰতিনিধিত্ব কৰি শ্ৰী পি. কে. গোস্বামী ডাঙৰীয়াই যুক্তি দিছিল যে একক ন্যায়াধীশ আৰু উচ্চ ন্যায়ালয়ৰ বিভাগীয় বিচাৰপীঠে এই সিদ্ধান্তত শুদ্ধভাৱে সিদ্ধান্ত লৈছে যে যিহেতু এই আদেশ অসৎ আচৰণৰ ওপৰত ভিত্তি কৰি কৰা হৈছে, সেয়েহে ২৪.৫.১৯৯৫ তাৰিখৰ আদেশ সম্পূৰ্ণ অযুক্তিকৰ। মন কৰিবলগীয়া যে ১৪.৬.২০০৪ তাৰিখে এই আদালতে এই আদেশৰ প্ৰভাৱ সাময়িকভাৱে বন্ধ কৰি দিছিল, এই চৰ্তত যে পৰৱৰ্তী জাননী নিদিয়ালৈকে আপীলকাৰীয়ে প্ৰতিমাহে প্ৰতিবাদীক তেওঁৰ শেহতীয়া দৰমহাটো দি থাকিব লাগিব। কিন্তু এই আদেশ ১৩.২.২০০৬ তাৰিখৰ নতুন আদেশৰ দ্বাৰা বাতিল কৰা হয়। ইয়াৰ পিছত উত্তৰদাতাক পুনৰ নিযুক্তি দিয়া হয়। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই আদালতে ভাৰতীয় সংবিধানৰ ১৩৬ নং অনুচ্ছেদৰ অধীনত নিজৰ বিবেচনাধীন ক্ষমতা ব্যৱহাৰ নকৰাৰ সিদ্ধান্ত ল'ব পাৰে।

১০. ২৪.৫.১৯৯৫ তাৰিখৰ কাৰ্যালয়ৰ আদেশত ইয়াৰ আঁৰৰ কাৰণসমূহ ব্যাখ্যা কৰা হোৱা নাছিল। উত্তৰদাতাই এখন জাননী লাভ কৰে। তেওঁ স্বীকাৰ কৰে যে বেংকৰ ধন তেওঁ নিজৰ একাউণ্টত জমা কৰিছিল। তেওঁ ১৪.৬.১৯৯৫ তাৰিখৰ এখন পত্ৰত নিজৰ এই কাৰ্য্যৰ বিষয়ে ব্যাখ্যা কৰে। অৱশ্যে আৰু কোনো তদন্ত হোৱা নাছিল যেন লাগে। আপীলকাৰীৰ ধনৰ অপব্যৱহাৰৰ বাবে প্ৰতিবাদীক দোষী সাব্যস্ত কৰা হয়। স্পষ্টভাৱে তেওঁৰ ব্যাখ্যাৰ প্ৰতি লক্ষ্য ৰখা হোৱা নাছিল। যদিহে তদন্ত কৰা হ'লহেঁতেন তেন্তে আপীলকাৰীয়ে হয়তো প্ৰতিবাদীৰ ব্যাখ্যা মানি ল'লেহেঁতেন।

১১. উত্তৰদাতাক অস্থায়ীভাৱে নিযুক্তি দিয়া হৈছিল আৰু তেওঁক প্ৰবেচন পিৰিয়দত ৰখা হৈছিল। এইটো স্পষ্ট যে প্ৰবেচন পিৰিয়দত সন্তোষজনকভাৱে কাম সম্পূৰ্ণ কৰাৰ প্ৰয়োজন আছিল। কৰ্মচাৰীজনৰ কাম-কাজ অসন্তুষ্টিজনক হ'লেহে প্ৰবেচন পিৰিয়দত বৰ্খাস্ত কৰাটো ন্যায্য হ'ব। কিন্তু এইটো সকলোৱে জানে যে এনে আদেশৰ ভিত্তি যদি দুৰ্বল প্ৰদৰ্শনৰ পৰিৱৰ্তে অসৎ আচৰণ হয়, তেন্তে কৰ্মচাৰীজনক শুনানিৰ সুযোগ দিয়াটো অতি প্ৰয়োজনীয়। অৰ্থাৎ যদি কৰ্মচাৰীজনে অসৎ আচৰণ কৰা বুলি ধৰা পৰে, যদিও প্ৰথম দৃষ্টিত প্ৰবেচন পিৰিয়দ বৰ্খাস্তৰ আদেশ নিৰাপদ যেন লাগে, তথাপিও কৰ্মচাৰীজনৰ সুনামৰ ক্ষতি হোৱা যেন বোধ হ'লে ইয়াক বাতিল কৰা হ'ব।

১৩. দীপ্তি প্ৰকাশ বেনাৰ্জী বনাম সত্যেন্দ্ৰ নাথ বসু নেচনেল চেন্টাৰ ফৰ বেচিক চাইন্সেছ, কলিকতা আৰু অন্যান্য [(১৯৯৯) ৩ এছচিচি ৬০] গোচৰত আদালতে সিদ্ধান্ত লয় যে লজ্জানত কৰিব পৰা তথ্য কেৱল টাৰ্মিনেচন অৰ্ডাৰ বা বৰ্খাস্ত কৰাৰ আদেশত থাকিব নালাগে। ই টাৰ্মিনেচন অৰ্ডাৰত উল্লেখ কৰা বা ইয়াৰ লগত সংলগ্ন আদেশ বা প্ৰক্ৰিয়াতো থাকিব পাৰে।

যেতিয়া কোনো উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা শৃঙ্খলামূলক কাৰ্য্যকলাপত দাখিল কৰা প্ৰতিবেদনখনে ইয়াৰ ভেঁটি গঠন কৰে, তেতিয়া ই কলঙ্কজনক প্ৰকৃতিৰ হ'ব কিয়নো এনে আদেশৰ দেৱানী পৰিণতি থাকিব।

১৪. এই ক্ষেত্ৰত আমি বহু সিদ্ধান্ত চোৱাৰ প্ৰয়োজন নাই কাৰণ শেহতীয়াকৈ আদালতে এই বিষয়টো জছৱন্তসিং প্ৰতাপসিং জাডেজা বনাম ৰাজকোট পৌৰ নিগম আৰু আন এজন [(২০০৭) ১২ স্কেল ১১৫]- গোচৰত কিছু দীঘলীয়াকৈ বিবেচনা কৰিছে।

অৱশ্যে অভিজিত গুপ্তা বনাম এছ এন বি নেচনেল চেন্টাৰ ফৰ বেচিক চাইন্সেছ, কলিকতা আৰু অন্যান্য [(২০০৬) ৪ এছ চি চি ৪৬৯]- গোচৰৰ ওপৰত ৰাণা ৰঞ্জিত সিঙে আস্থা প্ৰকাশ কৰিছে। উক্ত সিদ্ধান্তটো জাডেজা (উপৰোক্ত)ত বিবেচনা কৰা হৈছে, য'ত কোৱা হৈছে যে:

> "যদিহে কেৱল দুৰ্বল প্ৰদৰ্শনৰ বাবেই নিয়োগকৰ্তাই আপীলকাৰীৰ ওপৰত অসন্তুষ্ট আছিল, তেন্তে হয়তো কথাবোৰ বেলেগ হ'লহেঁতেন। কিন্তু এই আদেশত দেখা গৈছে যে নিয়োগকৰ্তাই কেৱল আপীলকাৰীৰ দুৰ্বল প্ৰদৰ্শনেই নহয়, ধাৰাবাহিক

কাৰ্য্য আৰু অসৎ আচৰণৰ কথাও বিবেচনা কৰিছিল। চাকৰিটোৰ বাবে অনুপযুক্ত বুলি কোৱাটো আৰু তেওঁ অসৎ আচৰণ কৰিছে বুলি কোৱাটোত প্ৰাৰ্থক্য আছে।“

এই গোচৰত এতিয়া মানি লোৱা হৈছে যে প্ৰতিবাদকাৰীক অসৎ আচৰণৰ বাবে চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল, গতিকে অভিজিৎ গুপ্তা (উপৰোক্ত)গোচৰৰ সিদ্ধান্ত ইয়াত প্ৰযোজ্য নহয়।

১৫. জয় সিং বনাম ভাৰত চৰকাৰ আৰু অন্যান্য– গোচৰৰ ওপৰতো আস্থা প্ৰকাশ কৰা হৈছে [(২০০৬) ৯ এছচিচি ৭১৭]। সেই গোচৰত আপীলকাৰীৰ আচৰণক ৰেকৰ্ডত "অসন্তুষ্টিজনক" বুলি দেখুওৱা হৈছিল।

সেই গোচৰত আদালতে লক্ষ্য কৰিছিল যে টাৰ্মিনেচন বা বৰ্খাস্তকৰণৰ অৰ্ডাৰটোৱেই একমাত্ৰ উদ্দেশ্য আৰু ইয়াৰ ভেঁটি নহয়, সেইবাবে ইয়াত কোৱা হৈছে যে :

*ধনঞ্জয় বনাম মুখ্য কাৰ্যবাহী বিষয়া, জিলা পৰিষদ* আৰু *মেথিউ পি থমাছ বনাম কেৰেলা ৰাজ্যিক অসামৰিক যোগান নিগম লিমিটেড*ৰ দৰে কেইবাটাও গোচৰত চাকৰিৰ পৰা অব্যাহতি দিয়াটো সহজ (শাস্তিৰ অবিহনে) নে শাস্তিমূলক (শাস্তি হিচাপে) সেই বিষয়ে আদালতে চোৱাচিতা কৰিছে। প্ৰবেচন পিৰিয়দত গৃহীত হোৱা এটা অৰ্ডাৰ অৱ টাৰ্মিনেচন চিম্পলিচিটাৰে যথেষ্ট বিতৰ্কৰ সৃষ্টি কৰি আহিছে। শেহতীয়াকৈ আদালতে দীপ্তি প্ৰকাশ বেনাৰ্জী বনাম সত্যেন্দ্ৰ নাথ বসু নেচনেল চেন্টাৰ ফৰ বেচিক ছায়েন্স আৰু পৱনেন্দ্ৰ নাৰায়ণ বাৰ্মা বনাম মেডিকেল ছায়েন্সৰ সঞ্জয় গান্ধী পিজিআই-ৰ গোচৰত দুটা সিদ্ধান্ত গ্ৰহণ কৰে। এই বিষয়ত পূৰ্বৰ বহু গোচৰ পুনৰীক্ষণ কৰি এই সিদ্ধান্ত লোৱা হৈছিল। আদালতে ব্যাখ্যা কৰিছিল যে কেতিয়া এটা বৰ্খাস্তকৰণক সহজ (শাস্তিৰ অবিহনে) বুলি চাব পাৰি আৰু কেতিয়া ইয়াক শাস্তিমূলক (শাস্তি হিচাপে) বুলি গণ্য কৰা হয়। প্ৰবেচন পিৰিয়ডত চাকৰিৰ পৰা বৰ্খাস্ত কৰা কৰ্মচাৰীৰ লগত কেতিয়া এটা দাগ বা কলংক জড়িত বুলি কোৱা হয়, সেই কথাও আদালতে স্পষ্ট কৰি দিয়ে। দুয়োপক্ষৰ অধিবক্তাই এই সিদ্ধান্তসমূহ হয়

তেওঁলোকৰ যুক্তিৰ সমৰ্থনত ব্যৱহাৰ কৰিছিল নহয় বৰ্তমানৰ গোচৰৰ পৰা কেনেকৈ পৃথক সেইটো দেখুৱাবলৈ ব্যৱহাৰ কৰিছিল। দীপ্তি প্ৰকাশ বেনাৰ্জীৰ গোচৰত আদালতৰ বিভিন্ন সিদ্ধান্ত বিবেচনা কৰাৰ অন্তত এই কথা বুজাই দিয়া হৈছিল যে কেতিয়া অসৎ আচৰণৰ অভিযোগৰ ভিত্তিত পোনপটীয়া টাৰ্মিনেচন আদেশ বিবেচনা কৰিব লাগে আৰু কেতিয়া অভিযোগ কেৱল এনে আদেশ জাৰি কৰাৰ কাৰণহে হয়। সেই ৰায়দানৰ ২১ নং অনুচ্ছেদত এই পাৰ্থক্য স্পষ্টকৈ ব্যাখ্যা কৰা হৈছে: (এচ.চি.চি পৃষ্ঠা ৭১-৭২)

> “যদিহে বিষয়াজনে নজনাকৈয়ে বা উপযুক্ত বিভাগীয় তদন্ত অবিহনে অসৎ আচৰণৰ তথ্য লাভ কৰা হৈছিল, তেন্তে সেই অভিযোগৰ ভিত্তিত বৰ্খাস্ত কৰাৰ সাধাৰণ আদেশক অভিযোগৰ ওপৰত "ভিত্তিযুক্ত" বুলি গণ্য কৰা হ'ব আৰু ই অবৈধ হ’ব। যদি কোনো তদন্ত কৰা নহ’ল, কোনো তথ্য পোৱা নগ’ল, আৰু নিয়োগকৰ্তাই তদন্ত নকৰাটো বাছি লৈছিল যদিও অভিযোগৰ বাবে কৰ্মচাৰীজনক তথাপিও চাকৰিৰ পৰা বৰ্খাস্ত কৰিব বিচাৰিছিল, তেন্তে ইয়াক অসৎ আচৰণ নহয়, উদ্দেশ্য বুলি গণ্য কৰা হয় আৰু বৰ্খাস্ত কৰাটো বৈধ বুলি ধৰা হয়। যদিহে নিয়োগকৰ্তাই অভিযোগসমূহৰ তদন্ত কৰা নাছিল তেন্তে পলম বা পৰ্যাপ্ত প্ৰমাণ পোৱাৰ সন্দেহৰ বাবেও একেই কথা প্ৰযোজ্য হয়। এই ক্ষেত্ৰত অভিযোগবোৰ কেৱল এটা উদ্দেশ্যহে আৰু বৰ্খাস্ত কৰাৰ ভিত্তি নহয় আৰু বৰ্খাস্ত কৰাৰ সাধাৰণ আদেশ বৈধ হ’ব।
>
> বহুতো সিদ্ধান্তৰ পৰা দেখা যায় যে বৰ্খাস্ত কৰাটো সহজ (শাস্তি অবিহনে) নে শাস্তিমূলক (শাস্তি হিচাপে) সেইটো সিদ্ধান্ত লোৱাটো প্ৰতিটো গোচৰৰ নিৰ্দিষ্ট তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰায়ে, কাৰোবাক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ কাৰণ (ভিত্তি) আৰু অভিপ্ৰায় (উদ্দেশ্য)-ৰ মাজৰ পাৰ্থক্য স্পষ্ট নহয় আৰু ই ওপৰা-উপৰি ধৰণৰ হ’ব পাৰে। টাৰ্মিনেচন অৰ্ডাৰক স্পষ্টভাৱে শ্ৰেণীভুক্ত কৰাটো কঠিন হ’ব পাৰে- কিছুমান অসৎ আচৰণৰ ওপৰত ভিত্তি কৰি, আন কিছুমান

কর্মচাৰীজন চাকৰিৰ বাবে অনুপযুক্ত হোৱাৰ বাবে। এই কাৰণবোৰ ওপৰা-উপৰি হ'ব পাৰে, যাৰ ফলত শ্ৰেণীবিভাজন কঠিন হৈ পৰে।"

(মূলত গুৰুত্ব দিয়া হৈছে)

১৬. উত্তৰদাতাই নাজানিছিল যে তেওঁৰ চাকৰি অসৎ আচৰণৰ বাবে বৰ্খাস্ত কৰা হৈছে বা তেওঁৰ অজ্ঞাতে আপীলকাৰীয়ে তদন্ত কৰিছে। তেওঁ সদিচ্ছাৰে কাম কৰিছিল বুলি দাবী জনালে। অসৎ আচৰণৰ অভিযোগৰ সম্পৰ্কত তেওঁৰ ফালৰ পৰা এইটো স্বীকাৰোক্তি নাছিল।

তেওঁ ইখনৰ পিছত সিখন আবেদন দাখিল কৰিছিল। তেওঁ উচ্চ ন্যায়ালয়ৰো কাষ চাপিছিল। যদিহে পিছত আপীলকাৰীয়ে ২৪.৫.১৯৯৫ তাৰিখৰ আদেশৰ প্ৰকৃত উদ্দেশ্য জানিব পাৰিলেহেঁতেন, তেন্তে তেওঁ পিছত ইয়াক প্ৰত্যাহ্বান জনাব পাৰিলেহেঁতেন। যিহেতু আপীলকাৰীয়ে এই আদেশৰ ভিত্তি পিছত প্ৰকাশ কৰিছিল, সেয়েহে মূল আদেশটো আইনগতভাৱে অবৈধ।

লেখ আবেদনৰ পূৰ্বৰ পৰ্যায়ত উচ্চ ন্যায়ালয়ে ২৪.৫.১৯৯৫ তাৰিখৰ আদেশ আইনী নেকি সেইটো পৰীক্ষা কৰা নাছিল। উচ্চ ন্যায়ালয়ে আপীলকাৰীৰ বিষয়াসকলক তেওঁৰ আবেদন পুনৰীক্ষণ কৰিবলৈহে অনুৰোধ জনাইছিল। অজয় কুমাৰ গুপ্তাৰ গোচৰৰ প্ৰতি লক্ষ্য ৰাখিও তেওঁৰ আবেদন বিবেচনা কৰিব লাগিছিল। অজয় কুমাৰ গুপ্তাৰ গোচৰটো আপীলকাৰীয়ে এই ভিত্তিত পৃথক কৰিছিল যে অজয় কুমাৰ গুপ্তাক অনুশাসনমূলক কাৰ্য্যবিধিৰ অন্তত চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল, আনহাতে প্ৰতিবাদীক তদন্তৰ ভিত্তিত চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল।

ভাৰতীয় সংবিধানৰ ১২ নং অনুচ্ছেদৰ অধীনত "ৰাজ্য" হিচাপে সংজ্ঞায়িত কৰা এটা সত্তাই (প্ৰতিষ্ঠানে) উচ্চ ন্যায়ালয়ক সম্পূৰ্ণ আৰু সঠিক তথ্য প্ৰদান কৰিব বুলি আশা কৰা হৈছে। অজয় কুমাৰ গুপ্তাৰ গোচৰটো প্ৰতিবাদকাৰীৰ গোচৰৰ পৰা পৃথক বুলি প্ৰমাণ কৰিবলৈ আগ্ৰহী হৈ প্ৰতিষ্ঠানটোৱে প্ৰতিবাদীয়ে গুৰুতৰ অসৎ আচৰণ কৰা বুলি সত্যটো প্ৰকাশ কৰে। গতিকে উচ্চ ন্যায়ালয়ৰ ৰায়ত আমি কোনো আইনী দোষ বিচাৰি নাপাওঁ।

যিয়েই নহওক, উত্তৰদাতাজন বৰ্তমান কৰ্মৰত। বিদ্বান একক ন্যায়াধীশৰ নিৰ্দেশ অনুসৰি আপীলকাৰীৰ প্ৰতিবাদীৰ বিৰুদ্ধে বিভাগীয় কাৰ্য্যবিধি আৰম্ভ কৰাৰ অধিকাৰ আছে। যদি এনে কাৰ্য্যবিধি আৰম্ভ কৰা হয়, তেন্তে প্ৰতিবাদকাৰীৰ ব্যাখ্যা গ্ৰহণ বা নাকচ হ'ব পাৰে। কিন্তু এই গোচৰৰ তথ্য আৰু পৰিস্থিতি বিবেচনা কৰিলে আমি বিশ্বাস কৰোঁ যে প্ৰতিবাদীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা উচিত নাছিল।

১৭. আমাৰ অৱশ্যে মতামত যে উত্তৰদাতাক সমগ্ৰ বকেয়া বেতন দিয়া উচিত নহয়। উষ্চ ন্যায়ালয়ৰ বিদ্বান একক ন্যায়াধীশৰ আদেশৰ তাৰিখ অৰ্থাৎ ৯.৪.২০০৩ তাৰিখৰ পৰাহে তেওঁ বকেয়া বেতন লাভ কৰাৰ অধিকাৰ থাকিব। পূৰ্বে উল্লেখ কৰা নিৰ্দেশনাসমূহৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ মতে অৱমাননাৰ বিষয়টোত আৰু কোনো আদেশ দিয়াৰ প্ৰয়োজন নাই।

১৮. সেয়েহে, দেৱানী আপীল নং ১১২৫/২০০৬-ত অনুমোদন জনোৱা হয় আৰু দেৱানী আপীল নং ১১২৩/২০০৬ খাৰিজ কৰা হয়। আইনী খৰচ পৰিশোধৰ সন্দৰ্ভত কোনো নিৰ্দেশনা দিয়া নাই।

*অনুবাদক: মায়াশ্ৰী মহন্ত, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উষ্চ ন্যায়ালয়*

# DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।“